# গৌতম বুদ্ধ আৰু মহাবীৰ

**প্ৰশ্ন ১। চমু উত্তৰ দিয়া –**

( ক ) গৌতম বুদ্ধৰ সৰুকালৰ নাম কি আছিল ? তেওঁক গৌতম বা◌েলা হৈছিল কিয় ?

**উত্তৰঃ** সিদ্ধাৰ্থ । সিদ্ধাৰ্থৰ জন্মৰ পাছতে মাক মায়াদেৱীৰ মৃত্যু হা◌েৱাত মাহীমাক গৌতমীয়ে তেওঁক ডাঙৰ – দীঘল কৰে । সেইবাবেই সিদ্ধাৰ্থ গৌতম বা◌েলা হৈছিল ।

( খ ) কি গছৰ তলত তপস্যা কৰি গৌতম বুদ্ধই পৰম জ্ঞান লাভ কৰিছিল ? পাছলৈ গছজোপা কি নামেৰে জনাজাত হ'ল ?

**উত্তৰঃ** অশ্বথ ( আঁহত গছৰ তলত ) পাছলৈ গছজোপা বা◌েধিদ্রুম নামেৰে জনাজাত হ'ল ।

( গ ) গৌতম বুদ্ধৰ মাক – দেউতাকৰ নাম কি আছিল ?

**উত্তৰঃ** মাকৰ নাম মায়াদেৱী আৰু দেউতাকৰ নাম শুদ্ধোধন আছিল ।

( ঘ ) কি কাৰণত গৌতমে সংসাৰ ত্যাগ কৰিছিল ?

**উত্তৰঃ** মানৱ জীৱনৰ দুখ – শা◌েকৰ পৰা মুক্তি পথ বিচাৰি গৌতমে সংসাৰ ত্যাগ কৰিছিল ।

( ঙ ) বৌদ্ধ ধৰ্মৰ মূল পুথিখনৰ নাম কি ?

**উত্তৰঃ** ত্ৰিপিটক ।

**প্ৰশ্ন ২। বৌদ্ধ ধৰ্মৰ মূল মত কি চমুকৈ লিখা ।**

**উত্তৰঃ** বৌদ্ধ ধৰ্মৰ মূল মত হ'ল— অহিংসাই পৰম ধৰ্ম । ভাল কৰ্মৰ ফল হয় ভাল আৰু বেয়া কৰ্মৰ ফল হয় বেয়া । তেওঁ শিষ্যসকলক চাৰিটা পৰম উপলব্ধি কৰিবলৈ পৰামৰ্শ দিছি — সত্য , দুখ , সন্তুষ্টি আৰু দুখৰ পৰা মুক্তি । দুখৰপৰা মুক্তিৰ বাবে তেওঁ আঠোটা পথ ( অষ্টাংগিক মাৰ্গ ) নিৰ্দেশনা দিছিল ।

**প্ৰশ্ন ৩। জৈন ধৰ্মৰ মূল মত কি চমুকৈ লিখা ।**

**উত্তৰঃ** অহিংসাই পৰম ধৰ্ম — এয়ে হ’ল জৈন ধৰ্মৰ মূল কথা । মহাবীৰে তেওঁৰ শিষ্যসকলক পাঁচটা গুণ আয়ত্ত কৰিবলৈ কৈছিল । সেইকেইটা হ’ল—

( ১ ) সত্য ।

( ২ ) অহিংসা ।

( ৩ ) অপৰিগ্ৰহ ।

( ৪ ) অষ্টেয় । আৰু

( ৫ ) ব্ৰহ্মচৰ্য ।

মহাবীৰৰ মতে প্ৰতিটো মৌলিক বস্তুৰেই ভৌতিক আৰু আধ্যাত্মিক শক্তিৰ ফল । জৈন ধৰ্মই ‘ আত্মা ’ আৰু কৰ্মৰ ধাৰণা বিশ্বস কৰে । মহাবীৰে কৈছিল যে মানুহে পাঁচটা গুণ আয়ত্ত কৰাৰ উপৰি সৎ আচৰৰ পথ গ্ৰহণ কৰা উচিত ।

**প্ৰশ্ন ৪। বৌদ্ধ ধৰ্ম আৰু জৈন ধৰ্মৰ মাজত তিনিটা সাদৃশ্য উল্লেখ কৰা ।**

**উত্তৰঃ** বৌদ্ধ ধৰ্ম আৰু জৈন ধৰ্মৰ মাজত তিনিটা সাদৃশ্য হৈছে —

( ১ ) দুয়াোটা মই অহিংসা আৰু সত্যৰ বাণী বিলাইছিল ।

( ২ ) দুয়াোটা ধৰ্মই বৈদিক ৰীতি – নীতিৰ বিৰাোধিতা কৰিছিল ।

( ৩ ) দুয়াোটা ধৰ্মই মানুহক উচ্চ আদৰ্শ আৰু জীৱনৰ পৰম লক্ষ্যৰ পথ দেখুৱাই থৈ গৈছে ।

**প্ৰশ্ন ৫। চমুকৈ উত্তৰ দিয়া –**

( ক ) মহাবীৰক ‘ জিন ’ বাোলা হৈছিল কিয় ? ‘ জিন ’ শব্দৰ অৰ্থ লিখা ।

**উত্তৰঃ** মহাবীৰে কঠোৰ সাধনাৰে ৰিপু জয় কৰিছিল বাবে তেওঁক ‘ জিন’ বাোলা হৈছিল । ‘ জিন ’ শব্দৰ অৰ্থ — ৰিপুজয় ।

( খ ) মহাবীৰৰ মাক – দেউতাকৰ নাম কি আছিল ?

**উত্তৰঃ** মহাবীৰৰ মাৰ নাম ত্ৰিশলা আৰু দেউতাকৰ নাম সিদ্ধাৰ্থ ।

( গ ) জৈন ধৰ্মৰ মূল পুথিখনৰ নাম কি ?

**উত্তৰঃ** অংগ ।

( ঘ ) ‘ ৰত্নত্ৰয় ’ কি ?

**উত্তৰঃ** সৎ বিশ্বাস , সৎ জ্ঞান আৰু সৎ আচৰণ — এই তিনিটা গুণক ‘ ৰত্নত্ৰয় ’ বুলি কোৱা হয় ।

( ঙ ) তীৰ্থংকৰ কাক বাোলে ? প্ৰথমগৰাকী তীথংকৰ আৰু তান্তিমগৰাকী তীথংকৰৰ নাম লিখা ।

**উত্তৰঃ** জৈন ধৰ্মগুৰুসকলক তীৰ্থংকৰ বুলি কোৱা হয় । প্ৰথম গৰাকী তীথংকৰৰ নাম আছিল— ঋষভ আৰু অন্তিম গৰাকী হ’ল মহাবীৰ ।

( চ ) মহাবীৰে কি পাঁচটা গুণ আয়ত্ত কৰিবলৈ কৈছিল ?

**উত্তৰঃ** সত্য , অহিংসা , অপৰিগ্ৰহ , অষ্টেয় আৰু ব্ৰহ্মচৰ্য ।

**প্ৰশ্ন ৬। গৌতম বুদ্ধ আৰু মহাবীৰৰ ধৰ্ম প্ৰচাৰে সমাজত কেনেধৰণৰ প্ৰভাৱ পেলাইছিল ?**

**উত্তৰঃ** গৌতম বুদ্ধ আৰু মহাবীৰৰ ধৰ্ম প্ৰচাৰে সমাজত ব্যাপকভাৱে শুভ প্ৰভাৱ পেলাইছিল । সেইবাোৰ হ’ল —

( ১ ) অহিংসাৰ বাণী প্ৰচাৰ হাোৱাৰ ফলত সমাজত হিংসাৰ প্ৰকোপ কমিছিল । যাক – যজ্ঞত বলি – বিধানৰ প্ৰয়াোজন নাই বুলি মানুহে অনুভৱ কৰিছিল ।

( ২ ) সমাজত সকলো শ্ৰেণীৰ মাজত ধৰ্ম প্ৰচাৰ কৰা হৈছিল । সেয়েহে ব্ৰাহ্মণ , ক্ষত্ৰিয় , বৈশ্য আৰু শূদ্ৰসকলে সমাজত সমান স্থান পাবলৈ সক্ষম হৈছিল ।

( ৩ ) ভাল কৰ্ম কৰিলে ভাল ফল পায় — এই বিশ্বাসে মানুহক সৎজীৱন- যাপন কৰিবলৈ প্ৰেৰণা দিছিল ।

**প্ৰশ্ন ৭। খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতিকাটো ভাৰতৰ ইতিহাসৰ গৌৰৱপূৰ্ণ কাল বুলি কিয় কোৱা হয় ?**

**উত্তৰঃ** খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতিকাটো ভাৰতীয় ইতিহাসৰ এটা গৌৰৱপূৰ্ণ কাল বুলি কোৱা হয় । কাৰণ এইটো শতিকাতে গৌতম বুদ্ধ আৰু মহাবীৰে ভাৰতত জন্ম গ্ৰহণ কৰিছিল । এই দুয়াোগৰাকী মহাপুৰুষে সমাজত অহিংসা আৰু সত্যৰ বাণী বিলাই মানুহক উচ্চ আদৰ্শ আৰু জীৱনৰ পৰম লক্ষ্যৰ পথ দেখুৱাই থৈ গৈছে । তেওঁলাোকে যাোগাই যাোৱা অতুলনীয় অৱদানৰ বাবে সমগ্ৰ মানৱ জাতি চিৰকৃতজ্ঞ । বিশ্বৰ অনেক মহাপুৰুষ গৌতম বুদ্ধ আৰু মহাবীৰৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত । সেইবাবেই খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতিকাটো ভাৰতৰ ইতিহাসৰ গৌৰৱপূৰ্ণ কাল বুলি কোৱা হয়।